NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-06-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ত দেশৰ ৭খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৫৭টা সমষ্টিত আজি বিয়লি ৫ বজালৈ ৫৮ শতাংশৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে।

২। লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ পূৰ্বে নতুন দিল্লীত আজি বিৰোধী আই এন ডি আই মিত্ৰজোঁটৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত মিত্ৰজোঁটটোৱে লোকসভা নিৰ্বাচনত তেওঁলোকে ২৯৫ৰো অধিক আসন লাভ কৰিব বুলি বিশ্বাস ব্যক্ত কৰে।

৩। ৰীমালৰ প্ৰভাৱত সৃষ্টি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ ১১খন জিলা বানৰ কবলত পৰিছে।

৪। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে ৰীমাল ঘূৰ্ণি বতাহৰ ফলত হোৱা প্ৰাণনাশ আৰু ক্ষয়-ক্ষতিকলৈ গভীৰ শোক প্ৰকাশ কৰিছে। *আৰু*

৫। ভাৰতৰ ডি পি মনুৱে টাইৱানত অনুষ্ঠিত টাইৱান এথলেটিকছ অ'পেন প্ৰতিযোগিতাৰ জেভলিন থ্ৰ'ত সোণৰ পদক অৰ্জন কৰিছে।

০০০০০০০০

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন হোৱাৰ লগে লগে ১৯ এপ্ৰিলত আৰম্ভ হোৱা বিশ্বৰ সৰ্ববৃহৎ নিৰ্বাচনী প্ৰক্ৰিয়াৰো আজি সামৰণি পৰিল। বিগত ৪৩ দিনত দেশৰ ৫৪২টা সমষ্টিৰ ভোটদাতাসকলে অষ্টাদশ লোকসভালৈ নিজৰ প্ৰতিনিধি নিৰ্বাচন কৰাৰ উদ্দেশ্যে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। উল্লেখযোগ্য যে এইবেলি দেশৰ মুঠ ৫৪৩টা সমষ্টিৰ ভিতৰত ৫৪২টাৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। ছুৰাট সংসদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থীগৰাকী বিনা প্ৰতিদ্বন্দ্বিতাই নিৰ্বাচিত হৈছে। সপ্তম পৰ্যায়ত আজি পৰ্যায়ত দেশৰ ৭খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৫৭টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হয়। ইয়াৰ ভিতৰত উত্তৰ প্ৰদেশ আৰু পঞ্জাৱৰ ১৩ টাকৈ, পশ্চিমবংগৰ ৯ টা, বিহাৰৰ ৮ টা, ওড়িশাৰ ছটা, হিমাচল প্ৰদেশৰ ৪ টা, ঝাৰখণ্ডৰ ৩টা আৰু চণ্ডীগড়ৰ এটা সমষ্টি আছে। এই পৰ্যায়ত বিয়লি ৫ বজালৈকে সামগ্ৰিকভাৱে ৫৮ দশমিক ৩-৪ শতাংশ ভোটদাতাই ভোটদানৰ অধিকৰ সাব্যস্ত কৰে। ভোট গ্ৰহণৰ সামৰণিৰ লগে লগে এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা ৯০৪ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্যও ই ভি এমত বন্দী হয়। ইয়াৰে ভিতৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰ, ৰবিশংকৰ প্ৰসাদ, অভিনেত্ৰী কংগনা ৰাণাৱট, তৃণমূল কংগ্ৰেছৰ নেতা অভিষেক বেনাৰ্জী, পাঞ্জাবৰ পূৰ্বৰ মুখ্যমন্ত্ৰী তথা কংগ্ৰেছ নেতা চৰণজিৎ সিং চান্নী, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী হৰছিমৰাৎ কৌৰ বাদল, আৰ. জে. ডিৰ মুৰব্বী লালুপ্ৰসাদ যাদৱৰ কন্যা মিছা ভাৰতী, কংগ্ৰেছ নেতা মণীষ তিৱাৰী, বিক্ৰমাদিত্য সিং অন্যতম।

নিৰ্বাচন আয়োগে প্ৰকাশ কৰা শেহতীয়া তথ্য অনুসৰি বিহাৰত ৪৮ দশমিক ৮-৬ শতাংশ, চণ্ডিগড়ত ৬২ দশমিক ৮-০ শতাংশ, হিমাচল প্ৰদেশত ৬৬ দশমিক ৫-৬ শতাংশ, ঝাৰখণ্ডত ৬৭ দশমিক ৯-৫ শতাংশ, ওড়িশাত ৬২ দশমিক ৪-৬ শতাংশ, পাঞ্জাবত ৫৫ দশমিক ২-৯ শতাংশ, উত্তৰ প্ৰদেশত ৫৪ শতাংশ আৰু পশ্চিম বংগত ৬৯ দশমিক ৮-৯ শতাংশ ভোটদান সম্পন্ন হৈছে।

লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ত সমান্তৰালভাৱে আজি ওড়িশা বিধানসভাৰ ৪২ খন আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হয়। ইয়াৰ উপৰি হিমাচল প্ৰদেশৰ ৬টা আৰু বিহাৰ, উত্তৰপ্ৰদেশ তথা পশ্চিমবংগৰ এটাকৈ বিধানসভা সমষ্টিৰ বাবে আজি উপ-নিৰ্বাচনো অনুষ্ঠিত হয়। মঙলবাৰে ভোটগণনা কৰা হ'ব। ভোটগণনাৰ বাবে সমগ্ৰ দেশত প্ৰস্তুতি পূৰ্ণ গতিত অব্যাহত আছে।

০০০০০০০০

লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ পূৰ্বে নতুন দিল্লীত আজি বিৰোধী আই এন ডি আই মিত্ৰজোঁটৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত মিত্ৰজোঁটটোৱে লোকসভা নিৰ্বাচনত তেওঁলোকে ২৯৫ৰো অধিক আসন লাভ কৰিব বুলি বিশ্বাস ব্যক্ত কৰে। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কয় যে, তেওঁলোকে নিৰ্বাচন আৰু ভৱিষ্যতৰ প্ৰত্যাহ্বানকে ধৰি বিভিন্ন বিষয় লৈ আলোচনা কৰে। বিৰোধী পক্ষৰ নেতাসকলে লগতে ভোট গণনাৰ দিনা ল'ব লগীয়া সতৰ্কতামূলক ব্যৱস্থাৰ বিষয়েও আলোচনা কৰা বুলি কংগ্ৰেছ নেতাগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে, তেওঁলোকে আজি টিভি চেনেলত নিৰ্বাচনোত্তৰ সমীক্ষা সম্পৰ্কীয় বিতৰ্কত অংশগ্ৰহণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ পূৰ্বে কংগ্ৰেছে্ৰ নিৰ্বাচনোত্তৰ সমীক্ষা সম্পৰ্কীয় বিতৰ্ক বৰ্জন কৰাৰ কথা ঘোষণা কৰিছিল। বৈঠকৰ অন্তত আম আদমী পাৰ্টীৰ আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে আই এন ডি আই মিত্ৰজোঁতে কেন্দ্ৰত এখন শক্তিশালী চৰকাৰ গঠন কৰাৰ দিশে অগ্ৰসৰ হোৱা বুলি দাবী কৰে। সমাজবাদী পাৰ্টীৰ মুৰববী অখিলেশ যাদৱেও মিত্ৰজোঁটোৱে উত্তৰ প্ৰদেশৰ অধিকাংশ আসনত জয়লাভ কৰিব বুলি দাবী কৰে। ইপিনে আৰ জে ডিৰ নেতা তেজস্বী প্ৰসাদ যাদৱে কয় যে আই এন ডি আই মিত্ৰজোঁটে নিৰ্বাচনত জয়লাভ কৰিব আৰু প্ৰধানমন্ত্ৰীৰ নাম সম্পৰ্কে পাছত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। আনহাতে শিৱসেনা ইউ বি টিৰ নেতা অনিল দেশায়ে কয় যে, আই এন ডি আই মিত্ৰজোঁতে মহাৰাষ্ট্ৰত ৩০ৰ পৰা ৩৫ খন আসন লাভ কৰিব। চি পি আই এমৰ সাধাৰণ সম্পাদক সীতাৰাম য়েচুৰীয়েও আই এন ডি আই মিত্ৰজোঁট বিজয়ী হ'ব বুলি আশা প্ৰকাশ কৰে।

কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বাসগৃহত অনুষ্ঠিত এই বৈঠকত কংগ্ৰেছৰ জ্যেষ্ঠ নেত্ৰী ছোনিয়া গান্ধী, ৰাহুল গান্ধী, এন চি পি-এছ চি পিৰ নেতা শাৰদ পাৱাৰ, জে এম এমৰ নেতা তথা ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী চাম্পায়ে চোৰেন, ডি এম কেৰ টি আৰ বালু, নেচনেল কনফাৰেন্সৰ ফাৰুখ আব্দুল্লাহ আৰু আন ভালেসংখ্যক নেতা উপস্থিত থাকে। অৱশ্যে টি এম চি আৰু পি ডি পিয়ে এই বৈঠকত অংশগ্ৰহণ কৰাৰ পৰা বিৰত থাকে।

০০০০০০০০

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই তেওঁৰ দলে লোকসভা নিৰ্বাচনত ৩৭০ খনৰ অধিক আসন লাভ কৰিব আৰু এন ডি এ মিত্ৰজোঁট ৪০০ খনৰো অধিক আসনত জয়ী হ'ব বুলি আস্থা প্ৰকাশ কৰিছে। আজি সংবাদমাধ্যমৰ সৈতে হোৱা কথা-বতৰাত বিজেপি নেতাগৰাকীয়ে কয় যে, দেশৰ জনসাধাৰণে এইবাৰৰ নিৰ্বাচনত স্বজনতোষণ আৰু দুৰ্নীতিৰ ৰাজনীতিত প্ৰত্যাখ্যান কৰিব আৰু সৰলীকৰণ, উন্নয়ন তথা আত্মনিৰ্ভৰ ভাৰতবৰ্ষৰ অৱধাৰণাৰ সমৰ্থন কৰিব। শ্ৰী নাড্ডাই বিজেপি আৰু এন ডি এ মিত্ৰজোঁটৰ কৰ্মীসকলক তেওঁলোকৰ কঠোৰ

পৰিশ্ৰমৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ  নিৰ্বাচন সফলভাৱে অনুষ্ঠিত কৰাৰ বাবে নিৰ্বাচন আয়োগকো ধন্যবাদ জনায়।

০০০০০০০০

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে অহা মঙলবাৰে লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৰা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWS ON AIR এপ, আমাৰ ইউ টিউব চেনেল AIR NEWS GUWAHATI আৰু X হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০০০০০

ৰীমালৰ প্ৰভাৱত সৃষ্টি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ ১১খন জিলা বানৰ কবলত পৰিছে। বৰাক, কপিলী, কুশিয়াৰা আৰু কাটাখালকে ধৰি কেইবাখনো নৈৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বৈ আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি হাইলাকান্দি, হোজাই, গোলাঘাট, নগাঁও, ধেমাজি, ডিব্ৰুগড়, কৰিমগঞ্জ, কাছাৰ, কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাৰ মুঠ ২৫টা ৰাজহ চক্ৰৰ অধীনস্থ ৫৬০ খন গাঁও বানত প্লাৱিত হৈছে। এই পৰ্যন্ত ৰাজ্যৰ মুঠ ৩ লাখ ৪৯ হাজাৰ ৪৫ গৰাকী লোক বানত ক্ষতিগ্ৰস্ত হৈছে। বানৰ ফলত ৰাজ্যখনত ৮ জন ব্যক্তিৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। ইফালে আটাইকেইখন জিলাতে মুঠ ১৪৮টা সাহায্য শিবিৰ আৰু ৩৯টা বান সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰা হৈছে। আনহাতে বানত এই পৰ্যন্ত উল্লেখিত ১১খন জিলাৰ ১০ লাখ ২৩ হাজাৰ ৬৩টা পশুধনৰ ক্ষতি হোৱাৰ উপৰি মুঠ প্ৰায় ৪ হাজাৰ ৯৩১ হেক্টৰ কৃষিভূমি বানৰ কবলত পৰিছে।

বৰাক উপত্যকাৰ বান ক্ষতিগ্ৰস্ত অঞ্চলত সাহায্য আৰু উদ্ধাৰ অভিযানৰ বাবে ৰাষ্ট্ৰীয় দুৰ্যোগ সহাৰি বাহিনী চমুকৈ এন ডি আৰ এফৰ এটা অতিৰিক্ত দল প্ৰেৰণ কৰা হৈছে।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে পশ্চিমবংগসহ দেশৰ উত্তৰ-পূব অংশত ৰীমাল ঘূৰ্ণি বতাহৰ ফলত হোৱা প্ৰাণনাশ আৰু ক্ষয়-ক্ষতিকলৈ গভীৰ শোক প্ৰকাশ কৰিছে। শ্ৰীমতী মুৰ্মুৱে আজি সামাজি মাধ্যমযোগে কয় যে, ৰীমাল ধুমুহাৰ ফলত ধন-জন হানি হোৱা আৰু ভালেসংখ্যক লোকক আন ঠাইলৈ স্থানান্তৰ কৰিবলগীয়া হোৱা ঘটনাই তেওঁক ব্যাথিত কৰি তুলিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে সমগ্ৰ দেশ এই প্ৰাকৃতিক বিপৰ্যয়ৰ দ্বাৰা প্ৰভাৱিত লোকসকলৰ সৈতে আছে। তেওঁ লগতে উদ্ধাৰ আৰু সাহাৰ্য প্ৰয়াসৰ সফল্য কামনা কৰে আৰু শীঘ্ৰেই পৰিস্থিতি স্বাভাৱিক হ'ব বুলি আশা প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি ধনখড়েও এই ঘূৰ্ণি বতাহৰ ফলত প্ৰাণ হেৰুওৱা লোকসকলৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা প্ৰকাশ কৰিছে আৰু প্ৰভাৱিত এলেকাসমূহৰ পৰিস্থিতি স্বাভাৱিক হৈ উঠাৰ বাবে  প্ৰাৰ্থনা জনাইছে।

০০০০০০০০

ভাৰতৰ ডি পি মনুৱে টাইৱানত অনুষ্ঠিত টাইৱান এথলেটিকছ্ অ'পেন প্ৰতিযোগিতাৰ জেভলিন থ্ৰ'ত সোণৰ পদক অৰ্জন কৰিছে। খেলুৱৈগৰাকীয়ে আজি ৮১ দশমিক ৫-৮ মিটাৰৰ শ্ৰেষ্ঠ প্ৰদৰ্শনেৰে এই পদক হস্তগত কৰে। চীন টাইপেইৰ চাও চুন চেং আৰু চাও হং হুৱাঙে এই শিতানত ক্ৰমে ৰূপ আৰু ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০০০০০

সমাপ্ত